# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। নিৰ্বাচন আয়োগে নিৰ্বাচনী তালিকা প্ৰস্তুতি আৰু পৰ্যালোচনা প্ৰক্ৰিয়াত জড়িত বুথ পৰ্যায়ত বিষয়া-বি এল অ'ৰ পাৰিতোষিক দুগুণলৈ বৃদ্ধি কৰাৰ লগতে পৰ্যবেক্ষকসকলৰ পাৰিতোষিক বৃদ্ধি কৰিছে।

২। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি গুজৰাটৰ ভাৱনগৰ ষ্টেছনত পতাকা জোকাৰি ভাৱনগৰ-অযোধ্যা কেণ্টনমেণ্ট সাপ্তাহিক ৰে'লগাড়ীখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।

৩। উত্তৰ প্ৰদেশৰ গোণ্ডাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ১১ গৰাকী লোক নিহত হয় আৰু ৪ গৰাকী লোক আহত হয়।

৪। ব্ৰাজিলৰ ফজ ডো ইকুৱাছুত চলি থকা ডব্লিও টি টি ষ্টাৰ কনটেনদাৰ ২০২৫ টেবল টেনিছ প্ৰতিযোগিতাত ভাৰতৰ মনুষ  শ্বাহ আৰু দিয়া চিতালে যুটীয়ে আজি নিশা মিক্স ডাবলছৰ ফাইনেলত অৱতীৰ্ণ হ'ব। ***আৰু***

৫। অভেল টেষ্টত ঘৰুৱা দল ইংলেণ্ডে এক উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত সংগ্ৰহ কৰা ৫০ ৰানৰ পৰা আজি চতুৰ্থ দিনৰ খেল আৰম্ভ কৰিব।

০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনী তালিকা প্ৰস্তুতি আৰু পৰ্যালোচনা প্ৰক্ৰিয়াত জড়িত বুথ পৰ্যায়ত বিষয়া-বি এল অ'ৰ পাৰিতোষিক দুগুণলৈ বৃদ্ধি কৰাৰ লগতে পৰ্যবেক্ষকসকলৰ পাৰিতোষিক বৃদ্ধি কৰিছে। নিৰ্বাচনী সংস্থাটোৱে এটা বিবৃতিত জনাইছে যে, দৰমহাৰ সংশোধিত গাঁথনি অনুসৰি বি এল অ'সকলৰ বাৰ্ষিক পাৰিতোষিক ৬ হাজাৰৰ পৰা ১২ হাজাৰলৈ বৃদ্ধি কৰাৰ লগতে ভাট্টা এহেজাৰৰ পৰা দুহেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। একেদৰে নিৰ্বাচনী তালিকা প্ৰস্তুতি প্ৰক্ৰিয়াত বিশেষ ভূমিকা পালন কৰা পৰ্যবেক্ষকসকলৰ পূৰ্বৰ ১২ হাজাৰৰ পৰা পাৰিতোষিক ১৮ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। নিৰ্বাচন আয়োগে নিৰ্বাচনী পঞ্জীয়ক বিষয়া আৰু সহকাৰী নিৰ্বাচনী পঞ্জীয়ক বিষয়াসকলৰো মাননি বৃদ্ধি কৰিছে। এই অনুসৰি নিৰ্বাচনী পঞ্জীয়ক বিষয়াসকলে ৩০ হাজাৰ আৰু সহকাৰী নিৰ্বাচনী পঞ্জীয়ক বিষয়াসকলে ২৫ হাজাৰকৈ টকা লাভ কৰিব। বিহাৰৰ পৰা আৰম্ভ হ'বলগীয়া বিশেষ ইণ্টেনশ্বিভ পুনৰীক্ষণ- এছ আই আৰৰ বাবেও বি এল অ'সকলক ছহেজাৰ টকাৰ বিশেষ ভাট্টা প্ৰদান কৰা হ'ব।

০০০০

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি গুজৰাটৰ ভাৱনগৰ ষ্টেছনত পতাকা জোকাৰি ভাৱনগৰ-অযোধ্যা কেণ্টনমেণ্ট সাপ্তাহিক ৰে'লগাড়ীখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ৰেৱাৰ পৰা পুণে আৰু জবলপুৰৰ পৰা ৰায়পুৰলৈ চলাচল কৰিবলগীয়া আন দুখন ৰে'লগাড়ীৰো যাত্ৰা মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে

ভাৰতীয় ৰে'লৱেৰ সম্প্ৰতি চকুত লগা পৰিৱৰ্তন হৈছে আৰু বিগত এঘাৰ বছৰত দেশত ৩৪ হাজাৰ কিলোমিটাৰ নতুন ৰেলপথ নিৰ্মাণ কৰা হৈছে। ভাৱনগৰ ৰেল ষ্টেছনত আয়োজিত অনুষ্ঠানত শ্ৰীবৈষ্ণৱে কয়, যে ৰেল সেৱাক সুৰক্ষিত আৰু পৰিষ্কাৰ কৰি তোলাৰ লগতে এই সেৱাৰ উন্নয়ন, আধুনিকীকৰণ, সম্প্ৰসাৰণৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। দেশৰ এহেজাৰ ৩০০ ষ্টেছনক উন্নত কৰি তোলাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এয়া হৈছে ষ্টেছন উন্নয়নৰ বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ প্ৰকল্প।

কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়া আৰু নিমু বেন বমভানিয়াও এই অনুষ্ঠানত উপস্থিত আছিল। মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱ আৰু চত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও সায়ে অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে ৰেলমন্ত্ৰীগৰাকীয়ে গুজৰাটৰ বাবে কেতবোৰ নতুন ঘোষণা কৰে। সেই অনুসৰি পোৰবন্দৰ আৰু ৰাজকোটৰ মাজত নতুন ৰে'লসেৱা আৰম্ভ হ'ব। দীৰ্ঘদিনীয়া দাবী পুৰণ কৰি চাৰাদিয়া আৰু ভন্সজালিয়াৰ মাজত নতুন ৰেলপথ নিৰ্মাণৰ কথা শ্ৰীবৈষ্ণৱে ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে ভাৱনগৰ বন্দৰত নতুন মালবাহী টাৰ্মিনেল স্থাপন কৰাৰ কথা ঘোষণা কৰে। তেওঁ ভাৱনগৰ আৰু চুৰাটৰ মাজত নতুন বন্দে ভাৰত ৰেলগাড়ীৰ চলাচলৰো প্ৰতিশ্ৰুতি দিয়ে।

০০০০

জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাত খনন কাৰ্যৰ সময়ত শিৱলিংগৰ লগতে বহু হিন্দু দেৱ-দেৱীৰ মূৰ্তি খোদিত ফলক উদ্ধাৰ কৰা হৈছে। চৰকাৰী সূত্ৰই জনোৱা মতে দক্ষিণ কাশ্মীৰ জিলাৰ আশিমোকামৰ চালিয়া অঞ্চলৰ কাৰুকুটনাগত এই মূৰ্তিসমূহ উদ্ধাৰ কৰা হৈছে। জম্মু-কাশ্মীৰৰ পুৰাতত্ব আৰু সংগ্ৰহালয় বিভাগৰ বিষয়াসকলে অঞ্চলটো পৰিদৰ্শন কৰিছে। তেওঁলোকে এই মূৰ্তিসমূহৰ সময় আৰু উৎপত্তিৰ পৰীক্ষা কৰিবলৈ এই ফলকসমূহ শ্ৰীনগৰলৈ পঠিয়াব। কাৰকুটা বংশৰ সৈতে জড়িত কাশ্মিৰী পণ্ডিতসকলৰ সৈতে এই ফলত উদ্ধাৰ হোৱা ঠাইসমূহৰ স্মৃতি জড়িত হৈ আছে।

০০০০

জাপানৰ ওচাকাত আয়োজিত বিশ্ব এক্সপো ২০২৫ ত ভাৰত মণ্ডপত কালি ২০ হাজাৰতকৈ অধিক লোকৰ সমাগম হয়। ভাৰতৰ সাংস্কৃতিক ঐতিহ্য, মহাকাশ সফলতা আৰু হস্তশিল্পৰ প্ৰদৰ্শনে সকলোকে আকৰ্ষণ কৰে। জাপানত থকা ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমৰ বাৰ্তাযোগে কয়, যে তাত উপস্থিত লোকসকলে সৰ্বাঙ্গীন বিকাশৰ বাবে প্ৰাচীন কালৰে পৰা চলি অহা ভাৰতীয় যোগাভ্যাসৰ অনুশীলন কৰে।

মহাকাশ গৱেষণা আৰু চন্দ্ৰ অভিযানত ভাৰতৰ অগ্ৰণী ভূমিকাক প্ৰদৰ্শন কৰিবলৈ বিশ্ব এক্সপো ২০২৫ ত চন্দ্ৰযান জ'ন সন্নিবিষ্ট কৰা হৈছে। **এখন জিলা এবিধ সামগ্ৰী** জ'নত জম্মু-কাশ্মীৰৰ অখৰুটৰ কাঠত খোদিত শিল্পকলা আৰু ওড়িশাৰ তাৰাকাশী কলা প্ৰদৰ্শন কৰা হয়। অহা ১৩ অক্টোবৰলৈ এই প্ৰদৰ্শনী চলি থাকিব। ইয়াত ১৬০ খনতকৈও অধিক দেশ আৰু ৯ টা আন্তৰাষ্ট্ৰীয় সংগঠনে অংশগ্ৰহণ কৰিছে।

০০০০

উত্তৰ প্ৰদেশৰ গোণ্ডাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ১১ গৰাকী লোক নিহত হয় আৰু ৪ গৰাকী লোক আহত হয়। আৰক্ষীয়ে জনোৱা মতে, পৃথ্বিৰাজ মন্দিৰলৈ ১৫ গৰাকী ভক্ত কঢ়িয়াই নিয়া ব'লেৰ' বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ দ' খাৱৈত বাগৰি পৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে দুৰ্ঘটনাটোত প্ৰাণ

হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু নিহতসকলৰ পৰিয়াললৈ ৫ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়ায়।

০০০০

ৰাছিয়াৰ কুৰিল দ্বীপপুঞ্জত আজি পুৱা ৬ দশমিক ৮ ৰিখতাৰ স্কেল প্লাৱল্যৰ এক শক্তিশালী ভূমিকম্প অনুভূত হয়। ইয়াৰ ফলত ৰাছিয়াৰ কাম ছাটকা উপদ্বীপত চুনামিৰ সতৰ্কতা জাৰি কৰা হৈছে। চৰকাৰী সূত্ৰই চুনামিৰ ফলত বৃহৎ ঢৌ উঠাৰ বিষয়ে সতৰ্ক কৰি দিছে। চলিত সপ্তাহত এয়া হৈছে দেশখনৰ দ্বিতীয়টো বৃহৎ ভূমিকম্প। ৩০ জুলাইত অঞ্চলটোত ৮  দশমিক ৮ প্লাবল্যৰ এটা বৃহৎ ভূমিকম্প হৈছিল।

০০০০

ৰাছিয়াৰ ছোচিৰ ব্লেক চি ৰিজৰ্টৰ সমীপৰ এটা তেল ডিপোত আজি ভয়ংকৰ অগ্নিকাণ্ড হয়। দেশখনৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ইউক্ৰেইনৰ ড্ৰোন আক্ৰমণৰ ফলতে ডিপোটোত জুই লাগে। ইয়াৰ পৰিপ্ৰেক্ষিতত ছোচিৰ সমীপৱৰ্তী বিমানবন্দৰৰ সকলো বিমানৰ চলাচল বন্ধ কৰি দিয়া হয়। স্থানীয় প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি ইউক্ৰেইনৰ ড্ৰোনে  এটা তেলৰ টেংকিত আঘাট কৰে আৰু ইয়াৰ পৰাই জুই জ্বলি উঠে। ঘটনাটোত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই।

একে সময়তে ৰাছিয়াৰ ক্ষেপনাস্ত্ৰই ইউক্ৰেইনৰ দক্ষিণ মহানগৰ মাইকোলেইভত একাংশ বাসগৃহ আৰু অন্যান্য ভৱনত আঘাত কৰে। এই আক্ৰমণত কমেও ৭ জন লোক আহত হয়।

০০০০

ব্ৰাজিলৰ ফজ ডো ইকুৱাছুত চলি থকা ডব্লিও টি টি ষ্টাৰ কনটেনদাৰ ২০২৫ টেবল টেনিছ প্ৰতিযোগিতাত ভাৰতৰ মনুষ  শ্বাহ আৰু দিয়া চিতালে যুটীয়ে আজি নিশা মিক্স ডাবলছৰ ফাইনেলত অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৯ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ শীৰ্ষ বাচনি তথা বিশ্বৰ ১০ নম্বৰ স্থানৰ ভাৰতীয় যুটীটোৱে কোৱাৰ্টাৰ ফাইনেল আৰু ছেমি ফাইনেলত চিলিৰ যুটীক হৰুৱাই ফাইনেলত প্ৰৱেশ কৰে। আজি হবলগীয়া ফাইনেলত তেওঁলোকে জাপানৰ ছাট'শ্বি আইডা আৰু হ'ন'কা হাচিম'ট'ৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত শীৰ্ষ বাচনিৰ ভাৰতৰ মানৱ থক্কৰ আৰু মনুষ শ্বাহ যুটী জাৰ্মানীৰ বেনেডিক্ট ডুডা আৰু ডেং কিউৰ বিৰুদ্ধে খেলি ২-৩ ছেটত পৰাস্ত হয়। প্ৰতিযোগিতাখনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ভাৰতৰ দুটা ডাবলছ যুটীয়ে ফাইনেলত প্ৰৱেশ কৰে।

০০০০

অভেল টেষ্টত ঘৰুৱা দল ইংলেণ্ডে এক উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত সংগ্ৰহ কৰা ৫০ ৰানৰ পৰা আজি চতুৰ্থ দিনৰ খেল আৰম্ভ কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। ভাৰতে বান্ধি দিয়া ৩৭৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ইংলেণ্ডে কালি দিনান্তলৈ এটা উইকেট হেৰুৱাই ৫০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজে কালি তৃতীয় দিনৰ অন্তিমটো বলত জেক ক্ৰ'লিৰ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে ৩৯৫ ৰানত দ্বিতীয় ইনিংছ সামৰে। ভাৰতৰ হৈ য়শস্বী জয়ছোৱালে ১১৮ আৰু দ্বিতীয় দিনৰ খেলৰ সামৰণি পৰত নাইট ৱাটছমেন হিচাপে বেট ধৰিবলৈ অহা আকাশদ্বীপে ৬৬ ৰানৰ বৰঙণি আগবঢ়ায়। ৰবীন্দ্ৰ জাদেজা আৰু ৱাশ্বিংটন সুন্দৰে ৫৩ ৰানকৈ কৰে। ইংলেণ্ড ভাৰতকৈ সামগ্ৰিকভাৱে ৩২৪ ৰানত পিছ পৰি আছে। খেলখনত জয়লাভ কৰিবলৈ ভাৰতৰ আৰু ৯টা উইকেটৰ প্ৰয়োজন।

খেলখনৰ সংক্ষিপ্ত স্ক'ৰসমূহ এনে ধৰণৰ ভাৰতৰ প্ৰথম ইনিংছত ২২৪ আৰু দ্বিতীয় ইনিংছত ৩৯৬ ৰান। ইংলেণ্ড প্ৰথম ইনিংছত ২৪৭ ৰান আৰু দ্বিতীয় ইনিংছত বৰ্তমানলকৈ এটা উইকেট হেৰুৱাই ৫০ ৰান।

০০০০

এছিয় ক্ৰিকেট পৰিষদে পুৰুষৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজনস্থলীৰ নাম ঘোষণা কৰিছে। সেই অনুসাৰে ৯ৰ পৰা ২৮ ছেপ্তেম্বৰলৈ ডুবাই আৰু আবুধাবিত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ডুবাইত ফাইনেলসহ ১১ খন আৰু আবুধাবিত ৮ খন খেল অনুষ্ঠিত হ'ব।

গ্ৰুপ-এত স্থান পোৱা ভাৰতে ১০ ছেপ্তেম্বৰত ইউ এ ইৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। ১৪ ছেপ্তেম্বৰত ডুবাইত হ'বলগীয়া নিজৰ দ্বিতীয়খন খেলত ভাৰত, পাকিস্তানৰ সন্মুখীন হ'ব। ১৪ নৱেম্বৰত আবুধাবিত হ'বলগীয়া নিজৰ তৃতীয়খন খেলত ভাৰত ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত মুঠ ৮টা দলে অংশগ্ৰহণ কৰিব। ভাৰত, পাকিস্তান,  ওমান আৰু ইউ এ ইক গ্ৰুপ-এত স্থান দিয়া হৈছে। বাংলাদেশ, শ্ৰীলংকা, আফগানিস্তান আৰু হংকঙক গ্ৰুপ-বিত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০

সমাপ্ত